## ।। ৬ ।। ৰূপক (অভেদ প্ৰধান)

উপমা অলংকাৰ ভেদাভেদ তুল্যপ্ৰধান। উপমাত উপমেয় আৰু উপমানৰ মাজত কিবা এটা বিষয়ত মিল থাকে সেই অংশত অভেদ যেন কৰি দেখুওৱা হয়। কিছুমান বিষয়ত অমিল আৰু সেই অংশত ভেদ থাকি যায়। পদুমৰ নিচিনা মুখ বোলোতে পদুম আৰু মুখ বেলেগ ৰূপে থাকিও মনোজ্ঞত্ব বিষয়ত এক হৈ পৰিল। গতিকে ইয়াত ভেদো আছে অভেদো আছে। কিন্তু যেতিয়া কওঁ 'এই মুখখন এপাহ পদুম' তেতিয়া মুখেই পদুম হৈ পৰিল, ভেদটো গৌণ হৈ পৰিল আৰু অভেদটো প্ৰধান হৈ পৰিল। পিছে এটা কথা মনত ৰাখিব লাগে। ভেদটো গৌণহে হ'ল, নোহোৱা হোৱা নাই। অভেদো প্ৰধানহে সেই বুলি একেবাৰে সৰ্বস্ব নহয়। ৰূপক অলংকাৰ সেইকাৰণে অভেদ-প্ৰধান। ভেদটো আবৃত হয় আৰু অভেদখিনি জিলিকি উঠে। ৰূপক একপ্ৰকাৰ ঘণীভূত উপমা।

'উপমৈৱ তিৰোভূতভেদা ৰূপকমুচ্যতে।'

অতিসাদৃশ্য হেতুকে উপমেয়ৰ ওপৰত উপমানক আৰোপ কৰাকে ৰূপক বোলে। আৰোপ মানে যিটো নহয় তাক সেইটো বুলি ভবা। কাঁচৰ গিলাচ এটা মুখলৈকে চপচপীয়াকৈ ৰঙা পানীৰে ভৰা হৈ থাকিলে গিলাচটোকে ৰঙা যেন দেখোঁ, পানীখিনিৰ ৰঙা বৰণটোৱে গিলাচটোক ৰূপায়িত কৰে। গিলাচ ৰঙা নহয় কিন্তু পানীৰ ৰঙা গুণ তাত আৰোপিত হৈছে। পানীও আছে। অথচ গিলাচটোও পানী ৰঙেৰে ৰূপায়িত হৈছে। আকৌ ওলোটাকৈ যদি কথাটো চাওঁ এনে হব।

পানীৰ আকাৰ নাই, কিন্তু গিলাচত থোৱা বাবে সি গিলাচৰ আকাৰ গ্ৰহণ কৰিছে। গিলাচৰ আকৃতিটো পানীত আৰোপিত হৈছে। ৰূপক অলংকাৰৰ মূলতে এই আৰোপ, কিন্তু আৰোপৰ হেতু হব লাগিব অত্যন্ত সাদৃশ্য। কাৰ্যকাৰণৰ হেতুক উপলক্ষ্য কৰিও আৰোপ হব পাৰে, যেনে— 'ধনেই ধৰ্ম'। ধৰ্মৰ কাৰণ হ'ল ধন— ধন নিমিত্ত, ধৰ্ম ভাব কাৰ্য। সেই দৰে 'কুণ্ডল সুবৰ্ণই'— এই উদাহৰণতো কুণ্ডলৰ উপাদান কাৰণ সোণ, কুণ্ডল তাৰ কাৰ্য। দুয়ো ঠাইতে কাৰ্য কাৰণৰ হেতুত ধৰ্মক ধনত আৰু কুণ্ডলক সোণত আৰোপ কৰা হৈছে, সাদৃশ্য নাই। গতিকে এই দুটা ৰূপক অলংকাৰ নহয়। 'মুখচন্দ্ৰ' বা 'মুখখন এপাহ পদুম', এই দুই উদাহৰণত যি আৰোপ হৈছে সি সাদৃশ্যমূলক, গতিকে ৰূপকালংকাৰ।

**নিৰংগ আৰু সাংগৰূপক ঃ** দুটা উদাহৰণ লৈ আৰম্ভ কৰা যাওক ঃ

(ক) 'শত বৰষৰ ধূলিত হেৰোৱা
জীৱন-কুসুমে মেলিব পাহি?' — *দুৰৱা*

(খ) 'হিয়াৰ ফুলনি উজলাই পুনু
ফুলিব চেনেহে কুসুম পাহি।'

(ক) উদাহৰণত জীৱনক কুসুম বুলি কৈ জীৱনৰ ওপৰত কুসুমক আৰোপ কৰা হৈছে। কুসুমৰ পাহি আছে, ৰেণু আছে আৰু সেই কুসুম ফুলা ফুলনি আছে, কিন্তু সেইবোৰৰ উল্লেখ ইয়াত নাই। জীৱন কুসুম এটা অকলশৰীয়া ৰূপক। এনে ধৰণৰ অংগবিলাকৰ আৰোপ নথকা অকলশৰীয়া ৰূপকক নিৰংগৰূপক বোলে।

(খ) উদাহৰণটোলৈ চোৱা যাওক। ইয়াত প্ৰথমে হিয়াখনক ফুলনি বুলি কল্পনা কৰা হ'ল অৰ্থাৎ হিয়াত ফুলনিক আৰোপ কৰা হ'ল। কবি কিন্তু ইমানতে ক্ষান্ত নহ'ল। ফুলনি থাকিলেই তাৰ অংগস্বৰূপ ফুল থাকিব লাগিব। হিয়াখন যদি ফুলনি হ'ল তেনেহলে সেই হিয়া-ফুলনিৰ ফুল কি হব? কবিয়ে কলে সেই ফুল চেনেহ— চেনেহ কুসুম। ফুলনি আৰু তাৰ অংগ ফুলে সৈতে আৰোপ হোৱা বাবে ই সাংগৰূপক।

কেৱল এটা উপমেয়ৰ ওপৰত এটা উপমানৰ আৰোপ থাকিলে তাক নিৰংগৰূপক বোলে। এটা অংগী উপমেয়ৰ ওপৰত এটা অংগী উপমান আৰোপ কৰি সেই উপমেয়ৰ অংগবিলাকৰ ওপৰতো বিভিন্ন অংগ উপমান আৰোপ কৰা হলে তাক সাংগৰূপক বোলে। (অংগী-যাৰ অংগ আছে এনে বস্তু)

সাংগৰূপকৰ আন এটা উদাহৰণ ঃ

'বসন্ত সময়ে কামৰাজাৰ পয়ান
পুষ্পৰ ধনুত আৰোহিয়া পঞ্চবাণ।।
সেনাপতি লৰি ভৈল মলয়ৰ বাৱ।
মহাবীৰ নাদ ভৈল কোকিলাৰ ৰাৱ।।
পক্ষীগণ ৰাৱে যেন বাৱে বাদ্যভণ্ড।
নাগেশ্বৰ ফুল কাম নৃপতিৰ দণ্ড।।'— *মাধৱ কন্দলী*

অংগী উপমেয় — ৰজা          অংগী উপমান — কামদেৱ
অংগ উপমেয় — ধনু          অংগ উপমান — পুষ্প
অংগ উপমেয় — সেনাপতি          অংগ উপমান — মলয়
অংগ উপমেয় — বীৰনাদ          অংগ উপমান — কোকিল
অংগ উপমেয় — ৰণবাদ্যভণ্ড          অংগ উপমান — পক্ষীৰাৱ
অংগ উপমেয় — ৰাজদণ্ড          অংগ উপমান — নাগেশ্বৰ

**এক দেশবৰ্ত্তি সাংগৰূপক ঃ** সাংগৰূপকত কেতিয়াবা দুই এটা অংগৰ স্পষ্টভাৱে উল্লেখ নাথাকিবও পাৰে, কিন্তু সেই অংগ প্ৰতীয়মান হয়— এনে ৰূপকক একদেশবৰ্ত্তি সাংগৰূপক বোলে।

উদাহৰণ ঃ

'সিদিনা অযোধ্যাৰ ক্ৰন্দন ধূমত,
দেখিলে নে কোনোবাই তোমাৰ প্ৰাণত।
জ্বলিল কি বহ্নি ৰাক ল'লেনে খবৰ?
জ্বলি পুৰি কিবা হ'ল এখনি অন্তৰ।' — *ৰত্নাকান্ত বৰকাকতী*

কবিয়ে উৰ্মিলাক লক্ষ্য কৰি এই উক্তি কৰিছে। ৰামৰ বনবাসত লক্ষ্মণ লগতে গ'ল। লক্ষ্মণৰ বিৰহত উৰ্মিলাৰ হৃদয়ৰ তাপ আদি কবিয়ে বৰ্ণনা নকৰিলে। এই কথাতে কবি বৰকাকতীয়ে আক্ষেপ কৰিছে। ইয়াত অংগী বহ্নি উপমানৰ আৰোপৰ বিষয় উপমেয় কি স্পষ্টকৈ উল্লেখ কৰা নাই, কিন্তু সি যে উৰ্মিলাৰ পতিবিচ্ছেদ ৰূপ তাপ তাক সহজে বুজিব পাৰি। সেই বহ্নি ক্ৰন্দনৰূপ ধোঁৱাত কোনেও নেদেখিলে, অৰ্থাৎ প্ৰজাৰ হাহাকাৰ ধ্বনিৰ মাজত উৰ্মিলাৰ দুখ উপলব্ধি কৰাৰ কাৰো সময় নহ'ল। পতিবিচ্ছেদ ৰূপ বহ্নিত দগ্ধ হ'ল উৰ্মিলাৰ অন্তৰ।

উপমেয় (অংগী) — পতিবিচ্ছেদ শোক, উপমান (অংগী) বহ্নি

(প্ৰতীয়মান)

উপমেয় অংগ অন্তৰ উপমান অংগ— দগ্ধীভূত বস্তু।

উপমেয় অংগ ক্ৰন্দন উপমান অংগ— ধূম।

ইয়াত অংগী-উপমেয়ৰ স্পষ্ট উল্লেখ নাই, কিন্তু অৰ্থৰপৰা বুজা গৈছে।

**মালাৰূপক ঃ** যেতিয়া এক উপমেয়তে বিভিন্ন উপমানক ইটোৰ পিছত সিটোকৈ আৰোপ কৰা হয় তেতিয়া তাক মালাৰূপক বোলা হয়। ইয়াত উপমেয় কেৱল এটাই থাকে, উপামানহে কেইবাটাও। কবিৰ যেন কৈ সুখ নাহে। ইটোব পিছত সিটো উপমান দি বৰ্ণনীয় বিষয় সৌন্দৰ্যপূৰ্ণভাৱে ফুটাই তুলিব খোজে। এজন মহাকবিৰ এটা উদাহৰণ তলত দিয়া হ'ল ঃ

(ক) শকুন্তলাক উদ্দেশ্য কৰি দুষ্যন্তই কৈছে ঃ

'অনাঘ্ৰাতং পুষ্পং কিসলয়মলুনং কৰৰুহৈ
ৰণাবিদ্ধং ৰত্নং মধু নৱমনাস্বাদিতৰসম্।
অখণ্ডং পুণ্যানাং ফলমপি চ তদ্ৰূপমনঘং
ন জানে ভোক্তাৰ কমিহ সমুপস্থাস্যতি ৱিধিঃ।'

— কোনেও কেতিয়াও নুশুঙা এটা ফুল, কোনেও কেতিয়াও নখ লগাই নিছিঙা এটা কোমল কুঁহিপাত, বিন্ধা নকৰা এটা ৰত্ন, কোনেও নোচোহা নতুন পুষ্পৰস, পুণ্যসমূহৰ অখণ্ড ফল নিৰ্মল চৰিত্ৰ এই শকুন্তলাৰ উপভোক্তাস্বৰূপে বিধিয়ে কাৰ কথা ভাবি থৈছে কোনে জানে?

এক শকুন্তলা উপমেয়ৰ ওপৰত অনাঘ্ৰাত পুষ্প, অলুন কিসলয়, অনাবিন্ধ ৰত্ন, অনাস্বাদিত মধু, অখণ্ড পুণ্য ফল এই উপমানবিলাক মালাৰ দৰে এটা এটাকৈ আৰোপ কৰি কালিদাসে শকুন্তলাৰ অনন্য সাধাৰণ ৰূপ-গুণৰ বৰ্ণনা দিছে।

**পৰম্পৰিত ৰূপক ঃ** যদি এটা উপমেয়ত উপমানৰ আৰোপ আন এটা উপমেয়ত উপমান আৰোপৰ কাৰণ হয় তেতিয়া পৰম্পৰা ক্ৰমে ইটোৰ পিছত সিটোকৈ যি ৰূপক হয় তাক পৰম্পৰিত ৰূপক বোলে। পৰম্পৰিত ৰূপকবোৰত অংগাংগী সম্বন্ধ নাথাকে, কিন্তু প্ৰথম ৰূপকটোৰ বিস্তাৰ কৰিবৰ কাৰণে বাকী কেইটা ৰূপকৰ প্ৰয়োজন হয়। নামঘোষাৰপৰা এটা উদাহৰণ লওঁ ঃ

(ক) 'তৰ্কশাস্ত্ৰ মহাব্যাঘ্ৰী তাহান নিপুণ পতি
তাৰ শিষ্য ভৈল পুত্ৰ প্ৰায়।
সংসাৰ বনত পশি পতি পুত্ৰ সমন্বিতে
উপনিষৎ ধেনু ধৰি খায়।।'

ইয়াত তৰ্কশাস্ত্ৰত ব্যাঘ্ৰীত্ব আৰোপ কৰা হৈছে— এইটোৱেই হ'ল প্ৰধান ৰূপক। এই ৰূপকটো নোহোৱা হলে, নিপুণ পতি, শিষ্য-পুত্ৰ, সংসাৰ বন, উপনিষৎ ধেনু আদি বিভিন্ন ৰূপকৰ প্ৰয়োজন নহ'লহেঁতেন। প্ৰকৃতপক্ষে বাকী ৰূপকখিনিয়ে প্ৰথম ৰূপকটোকে বিস্তাৰ কৰিছে।

(খ) 'নাম পঞ্চানন নাদে পলাৱত
পাপদন্তী ভয়ভীত।' —*বৰগীত*

শিৱই গজাসুৰ বধ কৰিছিল। এই ৰূপকত প্ৰথমে নামত পঞ্চাননক (শিৱ) আৰোপ কৰি লৈ তাৰ পিছত পাপত দন্তীৰ (হাতী) আৰোপ কৰা হৈছে। নাম আৰু পাপৰ অংগাংগী সম্বন্ধ নাই গতিকে সাংগৰূপক নহয়। ইয়াত নাম-পঞ্চানন ৰূপকটো পাপদন্তী ৰূপকটোৰ কাৰণ। নাম-পঞ্চানন ৰূপকটো নাথাকিলে পাপদন্তী ৰূপকটো অসাৰ্থক হ'লহেঁতেন বা কষ্ট কল্পনাৰ প্ৰয়োজন হ'লহেঁতেন। নাম উপমেয়ত পঞ্চানন উপমানৰ আৰোপ পাপ উপমেয়ত দন্তী উপমানৰ আৰোপৰ কাৰণ। এই কাৰণে এইটো পৰম্পৰিত ৰূপক।

**শ্লিষ্টৰূপক ঃ** 'মুনিজনমানসহংস'— এই উদাহৰণটোত মানস শব্দটোৰ ওপৰত শ্লেষ হৈছে। মানস অৰ্থে এবাৰ মুনিজনৰ মন, আকৌ একেলগে মানস মানে মানস সৰোবৰ। মুনিজনৰ লগত অন্বয় কৰিলে মানস মানে মন হয়। আকৌ হংসৰ লগত অন্বিত হোৱা মানস মানে মানস সৰোবৰ বুজাইছে। গতিকে ভাঙিলে ৰূপকটো এনে হব— মুনিজনৰ মানসৰূপ মানস সৰোবৰৰ হংস অৰ্থাৎ কৃষ্ণ। এনে ধৰণৰ শ্লেষৰ ওপৰত প্ৰতিষ্ঠিত ৰূপকক শ্লিষ্টৰূপক বোলে।

অসমীয়া ৰূপক অলংকাৰ বাক্যগ, সমাসগ আৰু ষষ্ঠী বিভক্ত্যন্ত এই তিনিপ্ৰকাৰে হয়। 'আশাই জীৱনত জেউতি' এইটো হ'ল বাক্যত প্ৰকাশ পোৱা ৰূপক। 'আশা-জেউতি'— ই হ'ল সমাসত প্ৰকাশ পোৱা ৰূপক। ষষ্ঠী বিভক্তিৰ যোগে প্ৰকাশ পোৱা ৰূপক হ'ল 'আশাৰ জেউতি'। 'সেই দিনা যৌৱনৰ সাগৰ তীৰত, প্ৰণয়ৰ অৰুণ উদয়' দুৰবাৰ এই ফাকিত দুয়োটা ৰূপকেই ষষ্ঠী বিভক্তিৰ সহায়ত আৰোপিত হৈছে।